# অসম আদিত্য

RN
Por
e-m

মাঘ, ১৯৪৬ শক ■ শুক্ৰবাৰ, ২৪ জানুৱাৰী, ২০২৫ ■ Asom Aditya, Dibrugarh, Friday, January 24, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ


ৰ লগতে
ৰিজাতৰ
াকে ধৰি
স্থিত থাকে।

সমজিলাত উলহ-মালহেৰে গণৰাজ্য দিৱস উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। ৰাজগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত উদ্‌যাপন হ'বলগীয়া এই অনুষ্ঠানৰ প্ৰস্তুতিৰ বিষয়ে জনায় টিংখাং সমজিলাৰ আয়ুক্ত পৰীক্ষিত ফুকনে।

## আছুৰ নতুন সমিতি গঠন

জানুৱাৰী ঃ সদৌ
আঞ্চলিক সমিতিৰ
জানুৱাৰীত টিংখাং
নুষ্ঠিত হয়। সভাত
প্ৰীতম বৰুৱাক পুনৰ
সাধাৰণ সম্পাদক
আনহাতে, টিংখাং

আঞ্চলিক সমিতিৰ পৰা সৌৰভজ্যোতি বৰফুকন, পাৰ্থজ্যোতি গগৈ আৰু অনুপম চুতীয়াক ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ প্ৰতিনিধি হিচাপে প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অঞ্চলটোৰ শতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা সভাখনত জিলা ছাত্ৰ সন্থাৰ বহুকেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে।



উদ্যমী মহিলা ৰাস্না তুলচিয়ানৰ 'প্লেণ্টছ এণ্ড পেটেলছ'
দৰ্শন মন্ত্ৰী অতুল বৰা আৰু বিধায়ক পোনাকণ বৰুৱাৰ

## আজিৰে পৰা কানৈত
## ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ

**ষ্টাফ ৰিপৰ্টাৰ, ২৩ জানুৱাৰী ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। অসমৰ জনপ্ৰিয় কলা-সংস্কৃতি অনুষ্ঠান অসম জনকৃষ্টি সমাজ, কানৈ মহাবিদ্যালয়ৰ গৱেষণা আৰু উন্নয়ন কোষ, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ যুটীয়া উদ্যোগত 'অ'ৰেলিটি আৰু ভাৰতীয় দৰ্শন' শীৰ্ষক বিষয়ৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰখন উদ্বোধন কৰিব তেজপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী, বিদেশী ভাষা বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট শিক্ষাবিদ, লেখক ড০ মদন মোহন শৰ্মাই। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা আলোচনা-চক্ৰ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি কৰ্মসূৰ্য ড০ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰিবলগীয়া আলোচনা- চক্ৰখনত পশ্চিমবংগস্থিত কল্যাণী বিশ্ববিদ্যালয়ৰ জনকৃষ্টি বিভাগৰ অধ্যাপক সুজয় কুমাৰ মণ্ডলে মূল ভাষণ প্ৰদান কৰিব। আলোচনা-চক্ৰখনিত অসম জনকৃষ্টি সমাজৰ 'জনকৃষ্টি' শীৰ্ষক গৱেষণা পত্ৰিকাখনি উন্মোচন কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা বিশিষ্ট শিক্ষাবিদ ড০ কন্দৰ্প কুমাৰ ডেকাই। আলোচনা-চক্ৰখনিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভাষা অধ্যয়ন কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সঞ্চালক, ভাষাবিদ, প্ৰফেচৰ এমেৰিটাছ ড০ ভীমকান্ত বৰুৱা। তদুপৰি আলোচনা-চক্ৰখনিত কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক আৰু ডীন তথা অসম জনকৃষ্টি সমাজৰ সভাপতি ড০ মৃনাল কুমাৰ বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ জনকৃষ্টি গৱেষণা বিভাগৰ মুৰব্বী ড০ অনিল কুমাৰ বড়ো, এবিলাকৰ প্ৰাক্তন সঞ্চালক ড০ দীলিপ কুমাৰ কলিতা, ৰাভা হাচং স্বায়ত্বশাসিত পৰিষদৰ প্ৰাক্তন মুৰব্বী ড০ শৰৎ চন্দ্ৰ ৰাভা, এবিলাকৰ সহযোগী অধ্যাপক ড০ কৰুণা কান্ত কাকতি, উত্তৰ-গুৱাহাটী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডেনিছ ৰাভা, গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ৰ অধ্যাপক হীৰকজ্যোতি শৰ্মা, কামৰূপ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড০ সঞ্জীৱ গোস্বামীকে ধৰি শতাধিক গণ্যমান্য ব্যক্তি উপস্থিত থকাৰ লগতে দেশ-বিদেশৰ বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ শতাধিক অধ্যাপক-অধ্যাপিকা, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী আৰু অসমীয়া ভাষাত আলোচনা-পত্ৰ পাঠ কৰিব।

## মৃদঙীয়া গায়ন-
## তৃতীয় দ্বি-বাৰ্ষিক প



**প্ৰতিবেদক, ৰাজগড়, ২৩ জানুৱাৰী ঃ** ডিব্ৰুগড় জিলা মৃদঙীয়া গায়ন-বায়ন সংস্থাৰ তৃতীয় দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশন আৰু গায়ন-বায়ন সমাৰোহ মৃদঙীয়া গায়ন-বায়ন সংস্থাৰ টিংখাং আঞ্চলিক সমিতিৰ উদ্যোগত আৰু ৰাইডঙীয়া নামঘৰৰ পৰিচালনা সমিতিৰ আতিথ্যত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ৰাইদঙীয়া বেতনি খেল পথাৰত

মৃদঙীয়া কলাক্ষেত্ৰত
দিনা পুৱা গছপুলি ৰোপ
স্মৃতি তৰ্পন, অস্থায়ী
প্ৰতিনিধিৰ নাম পঞ্জীয়
প্ৰতিযোগিতা অনুষ্ঠিত
প্ৰতিনিধি সভা আৰু
অনুষ্ঠিত হয়। আজি
গায়নীয়া দলৰ পঞ্জীয়

## বীৰ লাচিত সেনাৰ দ্বৈত
## বেডমিণ্টন প্ৰতিযোগিতা